Total number of printed pages–7

**63/1 (SEM–5) DSE1A/ASMRE5016**

**2023**

# ASSAMESE

Paper : ASMRE5016

***(Study on General Linguistics)***

*Full Marks : 80*

*Pass Marks : 32*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। তলত দিয়াসমূহৰ শুদ্ধ উত্তৰটি লিখা ঃ *(যিকোনো ছয়টা)* ১×৬=৬

(ক) তলৰ কোনটো উক্তি ভাষাৰ ক্ষেত্ৰত সত্য?

*(i)* ভাষা জন্মসূত্ৰে লাভ কৰা অৰ্হতা বিশেষ।

*(ii)* ভাষা আৰু জাতিৰ মাজত সহজাত সম্পৰ্ক আছে।

*(iii)* ভাষা পৰিৱেশত আয়ত্ত কৰা এক সাংস্কৃতিক কাৰ্য।

*(iv)* ধৰ্মীয় ভিন্নতা অনুসৰি ভাষাত ভিন্ন হয়।

*Contd.*

(খ) 'Language' নামৰ ভাষাবিজ্ঞানৰ গ্ৰন্থখনৰ লেখক কোন?

*(i)* ড° বাণীকান্ত কাকতি

*(ii)* লিওনাৰ্ড ব্লুমফিল্ড

*(iii)* নোম চমস্কি

*(iv)* হকেট

(গ) ড° উপেন্দ্ৰনাথ গোস্বামীৰ দ্বাৰা ৰচিত এখনি উল্লেখযোগ্য গ্ৰন্থৰ নাম হ'ল—

*(i)* ব্যাকৰণ প্ৰৱেশ

*(ii)* ভাষাবিজ্ঞান প্ৰৱেশ

*(iii)* আধুনিক ভাষাবিজ্ঞান পৰিচয়

*(iv)* ভাষাবিজ্ঞান

(ঘ) ধ্বনিবিজ্ঞানৰ প্ৰধান ভাগ বা শাখা কেইটা?

*(i)* ২টা

*(ii)* ৪টা

*(iii)* ৩টা

*(iv)* ৫টা

(ঙ) অসমীয়া ভাষাৰ 'স' ধ্বনিটোৰ পৰিচয় হ'ল ঃ

*(i)* দন্তমূলীয় নাসিক্য ধ্বনি

*(ii)* পশ্চতালব্য উষ্ম ধ্বনি

*(iii)* স্পৰ্শ-ঔষ্ঠ্য মহাপ্ৰাণ ধ্বনি

*(iv)* পাৰ্শ্বিক ধ্বনি



(চ) ভাষাৰ নিম্নতম অৰ্থপ্ৰকাশক গোটটিৰ নাম হ'ল—

*(i)* প্ৰত্যয়

*(ii)* ৰূপ বা প্ৰাকৃতি

*(iii)* পদ

*(iv)* বাক্য

(ছ) শব্দক বাক্যত ব্যৱহাৰৰ উপযোগী পদলৈ ৰূপান্তৰিত কৰিবলৈ কি সংযুক্ত কৰিব লাগে?

*(i)* বিভক্তি

*(ii)* স্বৰধ্বনি

*(iii)* পুৰুষবাচক প্ৰত্যয়

*(iv)* নিৰ্দিষ্টতাবাচক প্ৰত্যয়

(জ) প্ৰাকৃতিৰ প্ৰধান ভাগ দুটাৰ নাম হ'ল—

*(i)* প্ৰাতিপদিক আৰু ধাতু

*(ii)* প্ৰত্যয় আৰু বিভক্তি

*(iii)* মুক্ত প্ৰাকৃতি আৰু বদ্ধ প্ৰাকৃতি

*(iv)* শব্দ আৰু বাক্য

(ঝ) বাক্যক গঠনৰ দিশৰ পৰা কেইটা ভাগত ভাগ কৰা হয়?

*(i)* দুটা

*(ii)* তিনিটা

*(iii)* পাঁচটা

*(iv)* ছয়টা

(ঞ) শব্দৰ অৰ্থ পৰিবৰ্তনৰ প্ৰধান ধাৰা কেইটা হ'ল

*(i)* প্ৰগত, পৰাগত আৰু অনন্য সমীভৱন

*(ii)* স্বৰভক্তি, স্বৰসংগতি আৰু লোপ

*(iii)* গৌণাৰ্থৰ প্ৰাধান্য, নম্ৰতা প্ৰদৰ্শন আৰু সাদৃশ্য

*(iv)* অৰ্থবিস্তাৰ, অৰ্থসংকোচ আৰু অৰ্থসংশ্লেষ

২। চমুকৈ উত্তৰ লিখা ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) ঐতিহাসিক ভাষাবিজ্ঞানৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

(খ) ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্বৰ মাজত *দুটা* পাৰ্থক্য উল্লেখ কৰা।

(গ) মুল প্ৰাকৃতি বা প্ৰকৃতিৰ প্ৰধান ভাগ কেইটা উল্লেখ কৰা।

(ঘ) ভাষাৰ ধ্বনি পৰিৱৰ্তনৰ *দুটা* কাৰণ উল্লেখ কৰা।

(ঙ) প্ৰত্যয় আৰু বিভক্তিৰ মাজত থকা *দুটা* পাৰ্থক্য উল্লেখ কৰা।

(চ) অসমীয়া ভাষাৰ এটা সৰল বাক্য আৰু জটিল বাক্যৰ উদাহৰণ দিয়া।

(ছ) অৰ্থ সংকোচৰ *দুটা* উদাহৰণ দিয়া।



৩। তলৰ *যিকোনো ছয়টা* প্ৰশ্নৰ উত্তৰ চমুকৈ লিখা ঃ

৫×৬=৩০

(ক) বৰ্ণনাত্মক ভাষাবিজ্ঞান কাক বোলে? চমুকৈ আলোচনা কৰা।

(খ) ধ্বনিৰ পৰা বৰ্ণ কেনেকৈ নিৰ্ণয় কৰা হয়, উদাহৰণসহ আলোচনা কৰা।

(গ) সৰ্গ কাক বোলে? অৱস্থান অনুসৰি সৰ্গক কেইটা ভাগত ভাগ কৰা হয়, চমুকৈ আলোচনা কৰা।

(ঘ) উপভাষা কাক বোলে? উপভাষা সৃষ্টিৰ প্ৰধান কাৰণসমূহ চমুকৈ আলোচনা কৰা।

(ঙ) অসমীয়া ভাষাৰ ব্যঞ্জন বৰ্ণসমূহ কি কি? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি ইয়াৰ এটা তালিকা প্ৰস্তুত কৰা।

(চ) অৰ্থৰ পৰিবৰ্তনৰ প্ৰধান কাৰণসমূহ উল্লেখ কৰি এটি টোকা লিখা।

(ছ) চমু টোকা লিখা ঃ *(যিকোনো এটা)*

সামাজিক উপভাষা, তুলনামূলক ভাষাবিজ্ঞান, অৰ্থ বিস্তাৰ

(জ) কাৰক কাক বোলে? অসমীয়া ভাষাত কাৰক কেইপ্ৰকাৰৰ লিখা। কাৰক বুজোৱাৰ বাবে কি কি উপায় লোৱা হয় লিখা।

(ঝ) প্ৰাতিপদিক আৰু ধাতু কাক বোলে? উদাহৰণসহ চমুকৈ আলোচনা কৰা।

(ঞ) ভাষাবিজ্ঞান আৰু ব্যাকৰণৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্যৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰা।

৪। উত্তৰ লিখা ঃ *(যিকোনো দুটা)* ১০×২=২০

(ক) ভাষাবিজ্ঞান কাক বোলে? ভাষাবিজ্ঞানৰ প্ৰধান বৈশিষ্ট্যসমূহ উল্লেখ কৰি এটি আলোচনা আগবঢ়োৱা। ২+৮=১০

(খ) বাক্য কাক বোলে? বাক্যৰ গঠনত পদৰ যোগ্যতা, আকাঙ্খা আৰু আসক্তি বুলিলে কি বুজা, লিখা। ২+৮=১০

(গ) ভাষাৰ পৰিবৰ্তনক কেইটা ভাগত ভাগ কৰিব পাৰি? ভাষাৰ বাহ্যিক পৰিবৰ্তনৰ কাৰণসমূহ কি কি, আলোচনা কৰা। ২+৮=১০

(ঘ) চমু টোকা লিখা ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

সমীভৱন, ধ্বনিবিপৰ্য্যয়, স্বৰভক্তি, অপিনিহিতি, লোপ, সাদৃশ্য, পশ্চ গঠন

৫। *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৪×১=১৪

(ক) সমাজ ভাষাবিজ্ঞান কাক বোলে? সমাজ ভাষাবিজ্ঞানৰ অধ্যয়নৰ বিষয় সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা। ৪+১০=১৪



(খ) ভাষা, জাতি আৰু সংস্কৃতিৰ মাজত থকা সম্পৰ্ক বিচাৰ কৰি এটি আলোচনা প্ৰস্তুত কৰা।

(গ) গঠনাত্মক ভাষাবিজ্ঞানৰ সংজ্ঞাসহ ইয়াৰ অধ্যয়নৰ প্ৰধান প্ৰমেয়সমূহৰ এক খতিয়ান দাঙি ধৰা।

———